# **Drupal**ৰ বাবে নিৰ্দেশ পত্ৰ

## স্পোকেন টিউটোৰিয়েল দল, আই আই টি বোম্বে

### 1-অনুশীলন কৰাৰ পদ্ধতি

1. আপোনাক স্পোকেন টিউটোৰিয়েলৰ এটা সেট আৰু ফাইল দিয়া হৈছে।
2. আপোনি সাধাৰণতে একে সময়তে এটা টিউটোৰিয়েল কৰিব।
3. আপোনি এটা স্পোকেন টিউটোৰিয়েলক শুনি আৰু side-by-side(সাইড-বাই-সাইড) ভিডিওত দেখোৱা দৰে সকলো পদক্ষেপবোৰ অনুসৰন কৰি অনুশীলন কৰক।
4. আপোনি যদি উপৰোক্ত কামখিনি কঠিন পাই, তেনেহলে সম্পূৰ্ণ টিউটোৰিয়েলটোক এবাৰতে শুনক আৰু তাৰপিছত দ্বিতীয়বাৰত শুনি অনুশীলন কৰক।

### 2 - **Drupal**(ড্ৰুপাল)

1.আপোনাৰ কম্পিউটাৰত থকা স্পোকেন(spoken) নামৰ ফোল্ডাৰটো বিছাৰক আৰু খুলক(বা আপোনাৰ সমন্বয়কাৰী/প্ৰশিক্ষকক সোধক).

2. index.html ফাইলত ৰাইট ক্লিক কৰি ফায়াৰফক্স/ক্ৰোম ব্ৰাউজাৰ ব্যবহাৰ কৰি ফাইলটো খুলক. ইন্টাৰনেট এক্সপ্লোৰাৰ দি নোখোলিব যিহেতু ই স্পোকেন টিউটোৰিয়েলক সঠিকভাবে সম্পাদন নকৰিব পাৰে.
3. যদি উপৰত দিয়া ধাপবোৰ কোনো কাম নকৰে, তেনেহলে আপোনি ব্যবহাৰ কৰা ব্ৰাউজাৰ চেক কৰক. আপোনি যদি ইন্টাৰনেট এক্সপ্লোৰাৰ ব্যবহাৰ কৰিছে, এইটোক বন্ধ কৰি আৰু পুনৰায় ফায়াৰফক্স/ক্ৰোমত খোলক.

4. side-by-side(সাইড-বাই-সাইড) মেথদ ভিডিওটো ডিফল্ট দ্বাৰা প্ৰদৰ্শিত. এইটোৱে এটা সহজ স্ব-শিক্ষা(self-learning) পদ্ধতি ব্যাখ্যা কৰে. এই টিউটোৰিয়েলক প্ৰথমে শুনক. আপোনি স্পোকেন টিউটোৰিয়েল ব্যবহাৰ কৰি ড্ৰুপাল শিকিবলৈ এই পদ্ধতি অনুসৰণ কৰক.

5. স্ক্ৰিনৰ উপৰৰ অংশত "Select FOSS Category" ড্ৰপ ডাউনত ক্লিক কৰক আৰু "Drupal" নিৰ্বাচন কৰক।
6. "Select Language" ড্ৰপ ডাউনত টিপক আৰু উপলব্ধ ভাষাৰ পৰা ভাষা নিৰ্বাচন কৰক, যি আপোনি শিকিব বিচাৰে।
7. "Submit" বোতামত টিপক।

৪. আপোনি আপোনাৰ নিৰ্বাচনৰ উপৰত ভিত্তি কৰি টিউটোৰিয়েলৰ তালিকা দেখিব।
9. প্ৰদৰ্শিত তালিকাত প্ৰথম টিউটোৰিয়েলটো দি আৰম্ভ কৰক।

### 3. প্ৰথম টিউটোৰিয়েল: **Overview of Drupal**

1. "Overview of Drupal" টিউটোৰিয়েলটোক অবস্থান(locate) কৰক
2. এই টিউটোৰিয়েলটোৱে ড্ৰুপাল আৰু ইয়াৰ অভাৰভিউৰ সম্পৰ্কে ব্যাখ্যা কৰে.
3. আপোনি যদি স্পোকেন বিষয়বস্তুৰ বাবে উপশিৰোনাম(subtitle) টেক্সট দেখিব বিছাৰে, স্পোকেন ফোল্ডাৰত থকা README.txt ত দিয়া নিৰ্দেশাবলী অনুসৰণ কৰক.
4. প্লেয়াৰত ক্লিক কৰক আৰু টিউটোৰিয়েলটো চাওক.
5. টিউটোৰিয়েলটো সমাপ্ত হোৱাত, প্লেলিস্ট উইন্দোত থকা পৰবৰ্তী টিউটোৰিয়েল Installation of Drupal ত ক্লিক কৰক.

### 4. দ্বিতীয় টিউটোৰিয়েলঃ ড্ৰুপাল এৰ ইনস্টলেশন(**Installation of Drupal**)

1. Installation of Drupal টিউটোৰিয়েলটো অবস্থান(locate) কৰক.
2. এই টিউটোৰিয়েলটোৱে  বিটনামি ড্ৰুপাল স্ট্যাক(Bitnami Drupal Stack) ব্যবহাৰ কৰি উইন্ডোজ অপাৰেটিং সিস্টেমত আৰু লিনাক্স অপাৰেটিং সিস্টেমত ড্ৰুপাল ৪ ক ইনস্টল কৰাৰ বিষয়ে ব্যাখ্যা কৰে.
3.আপোনাৰ সিস্টেম অ্যাডমিনস্ট্ৰেটৰৰে ইতিমধ্যে আপোনাৰ কম্পিউটাৰত বিটনামি ড্ৰুপালৰ ইনস্টল কৰি থৈছে.

4. side-by-side মেথদ ব্যবহাৰ কৰি অনুশীলন কৰিবলৈ, টিউটোৰিয়েল থকা ওয়েব ব্ৰাউজাৰৰ আকাৰক আপোনাৰ স্ক্রিনৰ বাও ফালে খাপ খোৱাওক. সো ফালে আধা খোলি আৰু ফাইল ব্ৰাউজাৰ/এক্সপ্লোৰাৰক খাপ খোৱাওক.

5. আপোনি যদি লিনাক্স ব্যবহাৰকাৰী হয়, তেনেহলে ভিডিওত 6:51 সময়লৈ যাওক আৰু তাৰ পৰা নিৰ্দেশাবলী অনুসৰণ কৰক. 7:09 সময়ত টিউটোৰিয়েলে Drupal-8.1.3-0 ফোল্ডাৰটো খোলাৰ বাবে অনুৰোধ জনায়. যদি আপোনাৰ সিস্টেমত ড্ৰুপালৰ এটা নতুন সংস্কৰণ আছে, ফোল্ডাৰ নামত এটা উচ্চ নম্বৰ থাকিব. এই ফোল্ডাৰটো খোলক.

6. উইন্ডোজ ব্যবহাৰকাৰীয়ে ভিডিওটোৰ 7:27 সময়লৈ যাওক আৰু বিটনামি ড্ৰুপাল ম্যানেজাৰ টুল খুলিবলৈ শিকক.

7. সাৰ্ভাৰ আৰম্ভ কৰিবলৈ নিৰ্দেশাৱলীক অনুসৰণ কৰক.
8. আপোনি 8:33 সময়ত দেখোৱাৰ দৰে Go to Application ত ক্লিক কৰাত Bitnami Drupal Stack শিৰোনামৰ সৈতে এটা নতুন উইন্ডো খুলিব. যদি এইটো এটা নতুন ট্যাবত প্ৰৰ্দশিত হয়, এটা নতুন উইন্ডো তৈয়াৰ কৰিবলৈ ইয়াক ক্লিক কৰি আৰু টানি আনক.
9. side-by-side মেথদ অনুসৰণ কৰিবলৈ, উপৰোক্ত Bitnami Drupal Stack উইন্ডোৰ মাপ পৰিবৰ্তন কৰি, আৰু ইয়াক কম্পিউটাৰ স্ক্রিনৰ সো ফালে অ াধা কৰি ৰাখি খাপ খোৱাওক.
10. আপোনাৰ Drupal ওয়েবসাইটৰ মূল পৃষ্ঠা খোলাৰ বাবে Access Drupal ত ক্লিক কৰক.
11. 9:00 সময় পৰ্যন্ত টিউটোৰিয়েলৰ অনুশীলন কৰক. ইয়াত, admin(প্ৰশাসক) হিসাবে Username প্ৰদান কৰক, আৰু drupal8gr8 হিচাবে Password(যদি এইটো ভিন্ন হয় দয়া কৰি আপোনাৰ সমন্বয়কাৰী/প্ৰশিক্ষকৰ পৰা পৰামৰ্শ লওক).
12. টিউটোৰিয়েলটো শুনি সম্পন্ন কৰক.

## 5 তৃতীয় টিউটোৰিয়েল: **Content Management in Admin Interface**

1. যদি ওয়েব সাৰ্ভাৰ চলি থকা নাই অথবা আপোনি যদি ইতিমধ্যে লগ ইন কৰা নাই, অনুচ্ছেদ 4 ত থকা পদক্ষেপ 5 ৰ পৰা 11 লৈকে থকা এনে ধৰনৰ নিৰ্দেশাবলী অনুসৰণ কৰক -
(ক) সাৰ্ভাৰ আৰম্ভ কৰি আৰু Drupal মূল পৃষ্ঠা অ্যাক্সেস কৰা, আৰু
(খ) admin(প্ৰশাসক) হিসাবে লগইন.
আপোনি যেতিয়াই Drupal সাইটৰ সৈতে নতুনকে কাম কৰিবলৈ ইচ্ছুক হয় উপৰত থকা কথাখিনি চেক থাকিব লাগিব. লগতে কম্পিউটাৰ শাটডাউন বা ব্ৰাউজাৰ ক্যাশে পৰিষ্কাৰ কৰা থাকিলে ইত্যাদিও, সাৰ্ভাৰক বন্ধ কৰি ৰাখিব আৰু আপোনাক লগ আউট কৰিব. অন্যথা, আপোনি কেবল পূৰ্ববৰ্তী টিউটোৰিয়েলৰ পৰা অব্যাহত ৰাখিব পাৰে.

2. বৰ্তমান টিউটোৰিয়েলৰ তললৈ স্ক্ৰোল কৰি আৰু কোড ফাইল অধ্যায়ক সিনাক্ত কৰক. ক্লিক কৰক আৰু ফাইলক (ZIP আৰ্কাইভ) ডাউনলোড কৰক. এই টিউটোৰিয়েলৰ বাবে প্ৰয়োজন হোৱা logo.png ফাইল ইয়াত আছে. টিউটোৰিয়েলৰ দ্বাৰা প্ৰস্তাবিত আপোনি

ইয়াক আপোনাৰ ফোল্ডাৰত কপি কৰি ব্যবহাৰ কৰিব পাৰে.

3. আপোনাৰ শিকাখিনি শক্তিশালী কৰিবলৈ, এই টিউটোৰিয়েল শেষ কৰাৰ পিছত, অ্যাসাইনমেন্ট বিভাগত দিয়া সমস্যাবোৰক সম্পন্ন কৰক.

## 6 পৰবৰ্তী টিউটোৰিয়েল

অনুচ্ছেদ 5 ত উল্লেখিত পদ্ধতি অনুসৰন কৰি সমস্ত Drupal ৰ টিউটোৰিয়েল সমাপ্ত কৰক. বিশেষকৈ, প্ৰতি টিউটোৰিয়েলৰ বাবে নিম্নবোৰ কৰক:

1. সাৰ্ভাৰ আৰম্ভ কৰক, যদি সাৰ্ভাৰ চলা নাই
2. লগ ইন হৈ নাথাকিলে admin(প্ৰশাসক) হিসাবে লগ ইন কৰক
3. ডাউনলোড, কপি আৰু কোড ফাইল ব্যবহাৰ কৰক
4. অ্যাসাইনমেন্ট কৰক

## 7 আপোনাৰ ইংৰাজি উন্নতি কৰা

1. এইটো সম্ভব যে আপোনি ইংৰাজি ভাষাৰ সৈতে ভাল নহব পাৰে. সেয়ে, এই টিউটোৰিয়েলবোৰ অনেক অন্যান্য ভাষাত ডাব হৈ থকাৰ পৰা আপোনি নিৰ্বাচন কৰিব পাৰে.
2. যদি আপোনি ইংৰাজীৰ বাহিৰে অন্য এটা ভাষাত ব্যবহাৰবোৰ শিকিছে , তেনেহলে আপোনি সকলো টিউটোৰিয়েল ইংৰাজী ভাষাত পুনৰাবৃত্তি কৰিব পাৰে. এইটোৱে আপোনাৰ ইংৰাজি ভাষাৰ দক্ষতা উন্নত কৰিব.
3. এই টিউটোৰিয়েলবোৰ অন্য কোনো ভাষাত ডাব কৰিব বিছাৰিলে যি বৰ্তমানে সহজলভ্য নহয়, অনুগ্ৰহ কৰি আমাক জনাব.